গৌহাটি উচ্চ ন্যায়ালয়,গুৱাহাটী

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

মুখ্য পীঠ, গুৱাহাটী

ডব্লিউএ নং ১৭৫-২০২২

১.ভূপেন্দ্ৰ সিনহা

পিতা -প্ৰয়াত বসন্ত সিনহা,

বৰ্তমান অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ, কামৰূপ, এফ.টি.চি নম্বৰ.৩ গুৱাহাটী, জিলা-কামৰূপ (মেট্ৰ'), অসমত ষ্টেনোগ্ৰাফাৰ হিচাপে কৰ্মৰত।

২.সন্দীপ দাস

পিতা-প্ৰয়াত ৰাশ বিহাৰী দাস, বৰ্তমান অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ, কোকৰাঝাৰ, এফটিচি, কোকৰাঝাৰ জিলা-কোকৰাঝাৰ, অসমত ষ্টেনোগ্ৰাফাৰ হিচাপে কৰ্মৰত।

৩.বিকাশ বৰা

পিতা শ্ৰী ঘনকান্ত বৰা, বৰ্তমান অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ বিশ্বনাথ চাৰিআলি, এফ টি চি, জিলা-বিশ্বনাথ, অসমত পেছকাৰ হিচাপে কৰ্মৰত।

৪.প্ৰশান্ত বৰা

পিতা-ফুলেশ্বৰ বৰা,

বৰ্তমান অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ, এফ টি চি, তেজপুৰ, শোণিতপুৰ, জিলা-শোণিতপুৰ, অসমত পেছকাৰ হিচাপে কৰ্মৰত।

৫.কুমুদ কলিতা

পিতা-শ্ৰী বীৰেণ চন্দ্ৰ কলিতা,

বৰ্তমান অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ, এফ টি চি, হোজাই, নগাঁও, জিলা-হোজাই,অসমত পেছকাৰ হিচাপে কৰ্মৰত।

৬.শ্ৰীমতী অলী বৰগোহাঁই,

পিতা-বিষ্ণুৰাম বৰগোহাঁই,

বৰ্তমান অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ, এফ টি চি, লখিমপুৰ, জিলা-লখিমপুৰ, অসমত পেছকাৰ হিচাপে কৰ্মৰত।

৭.কমল বৰুৱা

পিতা-প্ৰয়াত ধনেশ্বৰ বৰুৱা,

অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ, বিশ্বনাথ চাৰিআলি, এফ.টি.চি, জিলা-বিশ্বনাথ,অসমত পিয়ন হিচাপে কৰ্মৰত।

৮.পদুম ভৰালী

পিতা-প্ৰয়াত গুৰু ভৰালী,

অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ, বিশ্বনাথ চাৰিআলি,এফ.টি.চি, জিলা-বিশ্বনাথ, অসমত বৰ্তমান গাড়ীচালক হিচাপে কৰ্মৰত।

....................আবেদনকাৰী ( সকল )

১.অসম চৰকাৰ

অসম চৰকাৰৰ মুখ্য সচিবৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হৈছে,
দিছপুৰ, গুৱাহাটী-৭৮১০০৬

২.আয়ুক্ত আৰু সচিব,
ন্যায়িক বিভাগ,অসম চৰকাৰ
দিছপুৰ, গুৱাহাটী-৭৮১০০৬

৩.আইনী নিৰ্দেশক আৰু সচিব,
ন্যায়িক বিভাগ,অসম চৰকাৰ
দিছপুৰ, গুৱাহাটী-৭৮১০০৬

৪.আয়ুক্ত আৰু সচিব,
বিত্ত বিভাগ,অসম চৰকাৰ
দিছপুৰ, গুৱাহাটী-781006

৫. কেন্দ্ৰীয় চৰকাৰ
আইন আৰু ন্যায় মন্ত্ৰালয়ৰ জৰিয়তে, চতুৰ্থ মহলা, উইং-এ, শাস্ত্ৰী ভৱন,
ড. আৰ.পি. ৰোড, নতুন দিল্লী-১১০০০১

৬.মহা গাণনিক
ময়দামগাঁও,বেলতলা, গুৱাহাটী।

7. গৌহাটি উষ্চ ন্যায়ালয়

মুখ্য পঞ্জীয়ক, গৌহাটি উষ্চ ন্যায়ালয়, গুৱাহাটী-৭৮১০০১ এ প্ৰতিনিধিত্ব কৰে।

...... প্ৰতিবাদী(সকল)

<u>মাননীয় মুখ্য ন্যায়াধীশ</u>

<u>মাননীয়া ন্যায়াধীশ শ্ৰীযুতা মিতালী ঠাকুৰীয়া</u>

আবেদনকাৰী(সকল)ৰ বাবে : শ্ৰী এছ পি শৰ্মা। ......অধিবক্তা

প্ৰতিবাদী(সকল)ৰ বাবে :

শ্ৰী এন.দাস, চৰকাৰী অধিবক্তা,অসম চৰকাৰ(প্ৰতিবাদী নং-১-৩),

মিষ্টাৰ পি.নায়ক,স্হায়ী পৰামৰ্শদাতা,বিত্ত বিভাগ(প্ৰতিবাদী নং-৪),

শ্ৰী এ.হাছান,স্হায়ী পৰামৰ্শদাতা,মহা গাণনিক(প্ৰতিবাদী নং-৬),

মিষ্টাৰ এইচ.কে.দাস,স্হায়ী পৰামৰ্শদাতা,গৌহাটী উষ্চ ন্যায়ালয়(প্ৰতিবাদী নং-৭)।

......অধিবক্তাসকল।

শুনানিৰ তাৰিখ : ২৭.০৪.২০২৩

ৰায়দানৰ তাৰিখ : ৩ মে, ২০২৩

## ৰায় আৰু আদেশ

[সন্দীপ মেহতা, মুখ্য ন্যায়াধীশ]

লেখ আবেদন(দেৱানী)নং ৬৯৬১/২০১৮ত মহামান্য এজনীয়া বিচাৰপীঠে প্ৰদান কৰা ২১.০৯.২০২১ তাৰিখৰ ৰায় আৰু আদেশক প্ৰত্যাহ্বান জনাই আবেদনকাৰী/লেখ আবেদনকাৰীসকলে এই ন্যায়ালয়ৰ আবেদন(intra-court appeal)দাখিল কৰে।

২.উল্লেখিত গোচৰটোৰ এক মিশ্ৰিত ইতিহাস আছে।আপীলকাৰী/লেখ আবেদনকাৰীসকলক তৃতীয় বৰ্গৰ আৰু চতুৰ্থ বৰ্গৰ পদৰ বিভিন্ন শাখাত বাছনি কৰি নিযুক্তি প্ৰদান কৰা হৈছিল আৰু অসমৰ বিভিন্ন ফাষ্ট ট্ৰেক আদালতত নিযুক্তি প্ৰদান কৰা হৈছিল।অৱশ্যে,ফাষ্ট ট্ৰেক আদালতসমূহত যিহেতু এনে কোনো পদৰ ব্যৱস্হা নাছিল,আবেদনকাৰীসকলক নিয়মীয়া দৰমহাৰ নিৰিখ প্ৰদান কৰা হোৱা নাছিল।

৩. কিছুমান আবেদনকাৰীয়ে তেওঁলোকৰ সেৱা নিয়মীয়াকৰণৰ বাবে প্ৰাৰ্থনা কৰি লেখ আবেদন(দেৱানী)নং ৫১৫৩/২০১০ দাখিল কৰিছিল।সেই আবেদনকাৰীসকলৰ দ্বাৰা দাখিল কৰা উক্ত লেখ আবেদনখন এই ন্যায়ালয়ৰ ২০.১২.২০১২ তাৰিখৰ আদেশৰ দ্বাৰা নাকচ কৰা হৈছিল, যিটো আদেশ মহামান্য উচ্চতম ন্যায়ালয়ত বিশেষ অনুমতি আবেদন (দেৱানী) নং ১২৫৬০/২০১৩ দাখিল কৰি প্ৰত্যাহ্বান জনোৱা হৈছিল। অৱশ্যে,নিয়মীয়া কৰ্মচাৰীসকলক প্ৰদান কৰা দৰমহাৰ নিৰিখৰ সমান দৰমহাৰ নিৰিখ নিৰ্ধাৰণ সম্পৰ্কীয় বিষয়টো উচ্চ ন্যায়ালয়ত উত্থাপন হোৱা নাছিল বা বিবেচনা কৰা হোৱা নাছিল বুলি জানিব পাৰি,বিশেষ অনুমতি আবেদনখন ২০.১২.২০১২ তাৰিখৰ আদেশৰ জৰিয়তে থাৰিজ কৰা হৈছিল যিয়ে আবেদনকাৰীসকলক পুনৰীক্ষণৰ আবেদনৰ

জৰিয়তে উষ্চ ন্যায়ালয়ৰ কাষ চাপিবলৈ স্বাধীনতা প্ৰদান কৰিছিল। ফলস্বৰূপে, এই ন্যায়ালয়ত পুনৰীক্ষণ আবেদন নং ৮২/২০১৩ দাখিল কৰা হৈছিল, য'ত, ৰাজ্য চৰকাৰে মীমাংসাৰ প্ৰস্তাৱ আগবঢ়াইছিল আৰু সেই অনুসৰি, নিম্নলিখিত নিৰ্দেশনাবোৰৰ সৈতে পুনৰীক্ষণ আবেদনখন নিষ্পত্তি কৰা হৈছিল:-

*"আমি, সেয়েহে, মীমাংসা প্ৰস্তাৱৰ চৰ্ত নং (i) আৰু(ii) গ্ৰহণ কৰাৰ প্ৰতি লক্ষ্য ৰাখি, ৰাজ্য চৰকাৰক নিম্নোক্ত ধৰণে নিৰ্দেশ দিওঁ:-*
*যে ওপৰত উল্লেখ কৰা ৮ জন আবেদনকাৰীক(অনুশাসনমূলক কাৰণৰ বাহিৰে) অৱসৰৰ বয়স নোপোৱালৈকে ৰাজ্য চৰকাৰে চাকৰিৰ পৰা অব্যাহতি দিব নোৱাৰিব আৰু তেওঁলোকক নিয়মীয়া দৰমহাৰ নিৰিখৰ নূন্যতম মজুৰি মাৰ্চ, ২০১৭ৰ পৰা প্ৰদান কৰা হ'ব।"*

৪. উপৰোক্ত নিৰ্দেশনাৰ লগতে, আবেদনকাৰীসকলক পেঞ্চনৰ সুবিধাৰ বাবে আৰু পেঞ্চনাৰ বাবদ পাব লগীয়া ধনৰাশিৰ হিচাপৰ ক্ষেত্ৰত তেওঁলোকৰ পূৰ্বৰ সময়খিনিৰ গণনা কৰা আৰু লগতে কৰ্মৰত অৱস্হাত চিকিৎসাৰ সুবিধা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰৰ ওচৰত আবেদন দাখিল কৰাৰ স্বাধীনতাও প্ৰদান কৰা হৈছিল। ইয়াৰ পিছত আবেদনকাৰীসকলে ৩০.০৫.২০১৭ আৰু ০৫.০৮.২০১৭ তাৰিখে আবেদন দাখিল কৰিছিল।অসম চৰকাৰৰ ন্যায়িক বিভাগে ৩০.০৫.২০১৭ তাৰিখৰ আবেদন সন্দৰ্ভত ১১.০৫.২০১৮ তাৰিখৰ এক স্পীকিং অৰ্ডাৰ(মহামান্য ন্যায়ালয়ে কোনো এক বিশেষ বিষয়ত দিয়া আদেশ)প্ৰদান কৰে, যি সূচায় যে পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগ আৰু বিত্ত বিভাগৰ সৈতে আলোচনাত মিলিত হোৱাৰ পিছত, অসম সেৱা (পেঞ্চন)অধিনিয়ম,১৯৬৯ৰ অধীনত সুবিধা লাভৰ বাবে কৰা আবেদনকাৰীসকলৰ

দাবী মানি ল'ব নোৱাৰি।

৫. লগতে এই ইংগিত প্ৰদান কৰা হৈছিল যে এই ন্যায়ালয়ে আন এটা গোচৰত দিয়া নিৰ্দেশনা অনুসৰি, স্বাস্থ্য, দুৰ্ঘটনাজনিত আৰু বীমা আঁচনিৰ লাভালাভ প্ৰদানৰ বিষয়টো নিৰীক্ষণ কৰাৰ বাবে এখন সমিতি গঠন কৰা হৈছিল। আবেদনকাৰীসকলৰ নামও উপযুক্ত পৰামৰ্শৰ বাবে সমিতিৰ ওচৰত দাখিল কৰা হৈছিল। অৱশ্যে, যিহেতু কোনো ইতিবাচক সিদ্ধান্ত লাভ কৰা নাছিল,আবেদনকাৰীসকলে বিভিন্ন অভিযোগ উত্থাপন কৰি উল্লেখিত লেখ আবেদন(দেৱানী) নং ৬৯৬১/২০১৮ দাখিল কৰিছিল,য'ত মূল প্ৰাৰ্থনাটো হৈছে আবেদনকাৰীসকলক প্ৰদান কৰা মূল দৰমহাৰ সৈতে সংলগ্ন বিভিন্ন ভাট্টা অন্তৰ্ভুক্ত কৰা, অৰ্থাৎ মহাৰ্ঘভাট্টা, গৃহ ভাড়া ভাট্টা আৰু চিকিৎসা ভাট্টা। আবেদনকাৰীসকলে লেখ আবেদনত দাবী কৰিছে যে তেওঁলোক এই ভাট্টাৰ অধিকাৰী কিয়নো মজুৰি বুলি ক'লে মূল দৰমহা আৰু ইয়াৰ লগত প্ৰযোজ্য ভাট্টাক সূচাব। ইয়াৰ উপৰিও যুক্তি দাঙি ধৰা হৈছিল যে আবেদনকাৰীসকলে পালন কৰা কৰ্তব্য আৰু দায়িত্ব বিভাগটোৰ আনসকলৰ সমতুল্য আৰু সেয়েহে, মজুৰিৰ ক্ষেত্ৰত যিকোনো অসমতাই বৈষম্যৰ সৃষ্টি কৰিছে।আবেদনকাৰীসকলে দাবী কৰা সকাহৰ সমৰ্থনত আবেদনকাৰীসকলে পঞ্জাৱ চৰকাৰ আৰু অন্যান্য বনাম ড. জগজিৎ সিং আৰু অন্যান্য শীৰ্ষক গোচৰত মহামান্য উচ্চতম ন্যায়ালয়ে দিয়া ৰায়দানৰ ওপৰত নিৰ্ভৰ কৰিছিল।

৬. প্ৰতিবাদীপক্ষৰ চৰকাৰী অধিবক্তাই জগজিৎ সিঙৰ(পূৰ্বে উল্লেখিত)গোচৰৰ ৰায়ৰ ওপৰত নিৰ্ভৰ কৰিছিল আৰু যুক্তি দৰ্শাইছিল যে উক্ত ৰায়ৰ ৫৫ নং দফাটোত ন্যায়ালয়ে কৰা পৰ্যালোচনাৰ পৰা,নিম্নতম দৰমহাৰ নিৰিখৰ সৈতে ভাট্টাৰ সুবিধা বহন কৰাৰ বাবে আবেদনকাৰীসকলে জনোৱা প্ৰাৰ্থনাটো ভুল ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত কৰা

হৈছিল।লেখ আবেদনখন ২১.০৯.২১ তাৰিখৰ আদেশৰ দ্বাৰা খাৰিজ কৰা হৈছিল, যিটো এই ন্যায়ালয়ত দাখিল কৰা লেখ আবেদনৰ জৰিয়তে প্ৰত্যাহ্বান জনোৱা হৈছে।

৭. আবেদনকাৰীসকলৰ হৈ বিজ্ঞ অধিবক্তা শ্ৰীযুত এছ.পি.শৰ্মাই যুক্তি দৰ্শাইছিল যে মহামান্য এজনীয়া বিচাৰপীঠৰ পৰ্যবেক্ষণ যে লেখ জাৰি কৰিব পৰা ন্যায়ালয়ৰ পৰ্যালোচনা সিদ্ধান্ত লোৱা প্ৰক্ৰিয়াটোৰ লগতহে জড়িত, কিন্তু প্ৰকৃত সিদ্ধান্তটোত নহয়, এই মত এনে বিষয়ত প্ৰযোজ্য নহয় য'ত চাকৰি সংক্ৰান্তীয় বিবাদ উত্থাপন হয় আৰু এনে ক্ষেত্ৰত, আনকি কৰ্তৃপক্ষৰ সিদ্ধান্তৰ বৈধতাও ভাৰতীয় সংবিধানৰ ২২৬নং অনুচ্ছেদৰ অধীনত ন্যায়ালয়ৰ দ্বাৰা পৰীক্ষা কৰিব পাৰি। তেওঁ জগজিৎ সিঙৰ(পূৰ্বে উল্লেখিত)গোচৰৰ ক্ষেত্ৰত মহামান্য উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা ৰায়ৰ ওপৰত আস্হা প্ৰদৰ্শন কৰি যুক্তি দৰ্শায় যে মহামান্য এজনীয়া বিচাৰপীঠে উক্ত ৰায়টোৰ সাৰ্বজনীন প্ৰযোজ্যতা থাকিব নোৱাৰে বুলি মত পোষণ কৰাটো ন্যায়সঙ্গত নহয় কাৰণ আবেদনকাৰীসকলৰ পূৰ্বৰ লেখ আবেদনখন খাৰিজ কৰা হৈছিল।তেওঁ দাবী কৰিছিল যে আবেদনকাৰীসকলৰ দ্বাৰা দাখিল কৰা পুনৰীক্ষণৰ আবেদন গ্ৰহণ কৰা হৈছিল আৰু ৰাজ্য চৰকাৰৰ অনুগ্ৰহৰ ভিত্তিত,আবেদনকাৰীসকলৰ/লেখ আবেদনকাৰীসকলক নিম্নতম দৰমহা নিৰিখৰ সুবিধা প্ৰদান কৰা হৈছে।

৮. শ্ৰী শৰ্মাৰ মতে, বিবাদিত ৰায়দানৰ ৫৫ নং দফাত ন্যায়ালয়ে আগবঢ়োৱা পৰ্যালোচনাৰ ওপৰত চৰকাৰী অধিবক্তাই যি আস্হা ৰাখিছে, সেয়া সম্পূৰ্ণভাৱে তদৰ্থ আৰু দৈনিক ভিত্তিত নিয়োগ কৰা কৰ্মচাৰীৰ সৈতে জড়িত আনহাতে,ইয়াত আবেদনকাৰীসকল অস্থায়ী কৰ্মচাৰীৰ শ্ৰেণীত পৰে যিটো শ্ৰেণীত মহামান্য উচ্চতম ন্যায়ালয়ে স্পষ্টভাৱে ৰায় দিছিল যে এনে কৰ্মচাৰীয়ে একেটা পদত থকা নিয়মীয়া

কৰ্মচাৰীক প্ৰদান কৰা নূন্যতম দৰমহাৰ নিৰিখত মজুৰি লাভ কৰিব পাৰে। শ্ৰী শৰ্মাৰ মতে, নূন্যতম দৰমহা নিৰিখৰ সুবিধা কৰ্মচাৰীসকলক প্ৰদান কৰিলে, তেওঁলোকৰ ভাট্টা দাবী কৰাৰ অধিকাৰ স্বয়ংক্ৰিয় হয় কাৰণ এনে ভাট্টা দৰমহাৰ নিৰিখৰ এটা অংশ।

৯. ইয়াৰ বিপৰীতে, বিত্ত বিভাগৰ বিজ্ঞ স্হায়ী পৰামৰ্শদাতা পি নায়ক আৰু বিজ্ঞ চৰকাৰী অধিবক্তা এন দাস ডাঙৰীয়াই যুক্তি দৰ্শায় যে আচলতে চতুৰ্থ বৰ্গৰ পদত কৰ্মৰত বেছিভাগ আবেদনকাৰীয়ে ইতিমধ্যে নূন্যতম দৰমহা নিৰিখ আৰু ভাট্টা ০৮.০৩.২০১৯ তাৰিখৰ অসম চৰকাৰৰ দ্বাৰা জাৰি কৰা জাননী/অ'.এম অনুসৰি লাভ কৰি আছে। কিন্তু তৃতীয় বৰ্গৰ পদত কৰ্মৰত আপীলকাৰী/আবেদনকাৰীৰ ক্ষেত্ৰত ভাট্টা লাভৰ দাবী কৰাৰ অধিকাৰ নাথাকিব কাৰণ চৰকাৰে এনে পদৰ বাবে কোনো নিৰ্দিষ্ট জাননী/অধিসূচনা প্ৰকাশ কৰা নাই। শ্ৰীযুত নায়কে জগজিৎ সিঙৰ (পূৰ্বে উল্লেখিত)গোচৰৰ ক্ষেত্ৰত মহামান্য উষ্চতম ন্যায়ালয়ৰ নিম্নলিখিত পৰ্যালোচনাৰ কথা উল্লেখ কৰে আৰু যুক্তি দৰ্শায় যে আবেদনকাৰীসকল এই আবেদনত দাবী কৰা সুবিধাসমূহৰ বাবে যোগ্য নহয়:

"৫৫. আমাৰ ওপৰোক্ত সকলো সিদ্ধান্তৰ প্ৰতি লক্ষ্য ৰাখি, অৱতাৰ সিঙ বনাম পঞ্জাৱ চৰকাৰ গোচৰটোত[২০১১ এছচিচি অনলাইন পি এণ্ড এইচ ১৫৩২৬:আইএলআৰ (২০১৩)১ পি এণ্ড এইচ ৫৬৬],উষ্চ ন্যায়ালয়ৰ পূৰ্ণ বিচাৰপীঠে ১১-১১-২০১১তাৰিখে প্ৰদান কৰা ৰায় বাতিল কৰাৰ যোগ্য আৰু ইয়াৰ দ্বাৰা এই ৰায়ক বাতিল কৰা হৈছে।পঞ্জাৱ চৰকাৰ বনাম ৰজিন্দৰ সিং (২০০৯ এছচিচি অনলাইন পি এণ্ড এইচ ১২৫)গোচৰটোত উষ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে প্ৰদান কৰা ৰায়টোও

বাতিল কৰাৰ যোগ্য আৰু ইয়াৰ দ্বাৰা এই ৰায়কো বাতিল কৰা হৈছে। আমি পঞ্জাব চৰকাৰ বনাম ৰাজিন্দৰ কুমাৰ [২০১০ এছচিচি অনলাইন পি এণ্ড এইচ ১৩০০৯)গোচৰটোত প্ৰদান কৰা ৰায়টো কিছু সংশোধনীৰ সৈতে বাহাল ৰাখো যে সংশ্লিষ্ট কৰ্মচাৰীসকল নিম্নতম দৰমহা নিৰিখৰ অধিকাৰী হ'ব,যিটো বৰ্গত তেওঁলোক অন্তৰ্ভুক্ত,কিন্তু তেওঁলোকক সংযোজিত কৰি ৰখা পদসমূহৰ সৈতে সংলগ্ন ভাট্টাৰ অধিকাৰী নহ'ব।"

১০. বিজ্ঞ অধিবক্তাসকলে আগবঢ়োৱা যুক্তিসমূহ বিবেচনা কৰিছো আৰু নথিত উপলব্ধ তথ্যসমূহৰ ওপৰত চকু ফুৰাইছো।

১১. আৰম্ভণিতে আমি মন কৰিব লাগে যে আবেদনকাৰীসকলে নিম্নতম দৰমহা নিৰিখ লাভ কৰাৰ অধিকাৰ সম্পৰ্কীয় বিষয়টো এতিয়া নতুন (ৰেছ ইন্টিগ্ৰা) নহয় কাৰণ কিয়নো আগৰ পৰ্যায়ৰ মোকৰ্দমাত,ৰাজ্যৰ সৈতে হোৱা সৌহাৰ্দ্যপূৰ্ণ মীমাংসাৰ ক্ষেত্ৰত ৮২-২০১৩ নং পুনৰীক্ষণ আবেদনৰ সিদ্ধান্ত লোৱাৰ সময়ত,খণ্ড বিচাৰপীঠে নিৰ্দেশ দিছিল যে ইয়াত থকা আবেদনকাৰীসকলক মাৰ্চ, ২০১৭ৰ পৰা নিয়মীয়া দৰমহা নিৰিখৰ নিম্নতম মজুৰি পৰিশোধ কৰা হ'ব।এইটো স্বীকাৰ কৰিবলগীয়া যে আবেদনকাৰীসকলক প্ৰকৃততে জানুৱাৰী,২০১৮ লৈকে ভাট্টাসহ নিম্নতম দৰমহা নিৰিখৰ সকলো লাভালাভ প্ৰদান কৰা হৈছিল। ত্ৰিপুৰাৰ মহা গাণনিক(অডিট)লৈ জাৰী কৰা ১৬.০৩.২০০০ তাৰিখৰ পত্ৰখনৰ সমল আৰু আন উত্তৰ-পূব ৰাজ্যসমূহৰ সৈতে কৰা সংশ্লিষ্ট যোগাযোগে সূচায় যে যেতিয়া ফাষ্ট ট্ৰেক আদালত স্থাপন কৰা হৈছিল, তেতিয়া অস্থায়ী পদসমূহ সৃষ্টি কৰা হৈছিল আৰু এই পদসমূহৰ বিপৰীতে ইয়াত আবেদনকাৰীসকলক নিযুক্তি দিয়া হৈছিল।

১২. আপাতদৃষ্টিত, আবেদনকাৰীসকলৰ সেৱাৰ প্ৰকৃতি তদৰ্থ বা দৈনিক মজুৰিৰ ভিত্তিত নাছিল, তেওঁলোক নিশ্চিতভাৱে নতুনকৈ স্থাপন কৰা ফাষ্ট ট্ৰেক আদালতৰ অস্থায়ী পদৰ বিপৰীতে নিযুক্তি লাভ কৰা অস্থায়ী কৰ্মচাৰী আছিল। এইটো সঁচা যে আৰম্ভণিতে আবেদনকাৰীসকলৰ সেৱাসমূহ ফাষ্ট ট্ৰেক আদালতসমূহ থকালৈকে থাকিব বুলি ঘোষণা কৰা হৈছিল, কিন্তু সত্যটো হ'ল যে ফাষ্ট ট্ৰেক আদালতসমূহ বিলুপ্ত হোৱাৰ পিছতো আবেদনকাৰীসকলৰ সেৱাসমূহ বিভিন্ন ন্যায়িক আদালতত ২০২০ চনলৈকে ব্যৱহাৰ হৈয়েই থাকিল । সেয়েহে, ফাষ্ট ট্ৰেক আদালতৰ প্ৰক্ৰিয়াসমূহ বন্ধ হোৱাৰ পিছত আবেদনকাৰীসকলে ন্যায়িক আদালতৰ ওচৰত তেওঁলোকৰ উপযোগিতা হেৰুৱাই পেলোৱাটো কোনো ঘটনা নহয়। সেইবাবেই ৰাজ্য চৰকাৰে পুনৰীক্ষণৰ আবেদনৰ (পূৰ্বে উল্লেখিত) শুনানিৰ সময়ত মীমাংসাৰ বাবে এখন আঁচনি আগবঢ়াইছিল আৰু আবেদনকাৰীসকলক নূন্যতম দৰমহাৰ নিৰিখ আগবঢ়াইছিল যাতে তেওঁলোকৰ ন্যায়িক আদালতত কাম কৰাৰ অভিজ্ঞতাক ব্যৱহাৰ কৰিব পৰা যায় আৰু তেওঁলোককো তেওঁলোকৰ নিজ নিজ পদৰ সৈতে সংলগ্ন নিম্নতম দৰমহা নিৰিখ প্ৰদান কৰি সন্মানৰ সৈতে কাম কৰাৰ সুযোগ প্ৰদান কৰিব পাৰি।

১৩. এই ক্ষেত্ৰত এনে কোনো দুটা মতামত থাকিব নোৱাৰে যে দৰমহাৰ নিৰিখ, উপৰোক্ত পদসমূহত নুন্যতমভাৱে প্ৰযোজ্য হ'লেও, ইয়াৰ লগত ভাট্টাসমূহ অন্তৰ্ভুক্ত হ'ব।এই পটভূমিত,আবেদনকাৰী/আপীলকাৰীসকলৰ দাবী জগজিৎ সিঙৰ গোচৰটোত (পূৰ্বে উল্লেখিত) প্ৰদান কৰা ৰায়ৰ ৫৫ নং দফাত দাঙি ধৰা যুক্তিৰ দ্বাৰা প্ৰভাৱিত হয় বুলি বিজ্ঞ চৰকাৰী পৰামৰ্শদাতা শ্ৰীযুত নায়কে দাঙি ধৰা যুক্তিটো সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য নহয়। সেই যুক্তিসমূহ মহামান্য উচ্চতম ন্যায়ালয়ে দৈনিক মজুৰিপ্ৰাপ্ত

কৰ্মচাৰী, কামৰ বিনিময়ত মজুৰি লাভ কৰা কৰ্মচাৰী আৰু ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ গোচৰ বিবেচনা কৰি থাকোতে কৰিছিল। কিন্তু সেই অস্থায়ী কৰ্মচাৰীসকলৰ তুলনাত আবেদনকাৰীসকল স্পষ্টভাৱে কোনটো শ্ৰেণীত পৰে উচ্চতম ন্যায়ালয়ে ৫৬ নং দফাৰ পৰা বিষয়সমূহৰ ওপৰত আলোচনা কৰি ৰায় দিয়ে যে এনে কৰ্মচাৰীসকলে নূন্যতম দৰমহাৰ নিৰিখৰ অধিকাৰী হ'ব। যিহেতু উক্ত ৰায়দানত এনে কোনো যুক্তি নাই যে অস্থায়ী কৰ্মচাৰীসকল ভাট্টা লাভৰ পৰা বঞ্চিত হ'ব, সেয়েহে আবেদনকাৰীসকলে নিশ্চিতভাৱে ওপৰৰ ৰায়দানৰ ৬১ নং দফাত কৰা পৰ্যালোচনাৰ পৰা সুবিধা দাবী কৰাৰ অধিকাৰী হ'ব, যিটো তলত দিয়া ধৰণৰ:-

"৬১. পূৰ্বৰ দফাটোত আমি প্ৰকাশ কৰা স্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আমি এইটো ধৰি লোৱাত কোনো সংকোচ নকৰো যে বৰ্তমানৰ গোচৰলানিত জড়িত সকলো অস্থায়ী কৰ্মচাৰীয়ে একেটা পদত থকা নিয়মীয়া কৰ্মচাৰীসকলে লাভ কৰাৰ দৰে নূন্যতম দৰমহা নিৰিখত (নিয়মীয়া দৰমহা নিৰিখৰ সৰ্বনিম্ন গ্ৰেডত) মজুৰি লোৱাৰ অধিকাৰী হ'ব।"

১৪. এইটোও বিতৰ্কিত বিষয় নহয় যে আবেদনকাৰীসকলৰ চতুৰ্থ শ্ৰেণীৰ পদত কৰ্মৰত সকলক ইতিমধ্যে ৰাজ্য চৰকাৰৰ ০৮.০৩.২০১৯ তাৰিখৰ অধিসূচনাৰ ভিত্তিত নূন্যতম দৰমহাৰ নিৰিখৰ সুবিধাৰ লগতে ইয়াৰ লগত সংলগ্ন ভাট্টাও প্ৰদান কৰা হৈছে। সেয়েহে তৃতীয় বৰ্গৰ পদত কৰ্মৰত বাকী আবেদনকাৰী/আপিলকাৰীসকলক বাদ দিয়া আৰু তেওঁলোকক নূন্যতম দৰমহাৰ নিৰিখৰ সৈতে জড়িত ভাট্টাসমূহৰ সুবিধাৰ পৰা বঞ্চিত কৰাটো বৈষম্যৰ বাহিৰে আন একো নহ'ব আৰু ই ভাৰতীয় সংবিধানৰ ১৪ আৰু ১৬ নং অনুচ্ছেদৰ অধীনত সন্নিৱিষ্ট মৌলিক অধিকাৰসমূহ স্পষ্টভাৱে উলংঘা

কৰে।

১৫. ইয়াৰ ফলস্বৰূপে, আবেদনখন গ্ৰহণ কৰা উচিত। ২১.০৯.২০২১ তাৰিখৰ বিবাদিত ৰায়টো ইয়াৰ দ্বাৰা সলনি কৰা হৈছে আৰু ফলস্বৰূপে, ১১.০৫.২০১৮ তাৰিখৰ স্পীকিং অৰ্ডাৰটো বাতিল কৰা হৈছে। এইটো নিৰ্দেশ প্ৰদান কৰা হৈছে যে আবেদনকাৰীসকলৰ যিসকলক ভাট্টাৰ সুবিধা প্ৰদান কৰা হোৱা নাই যদিও তেওঁলোকে নিম্নতম দৰমহা নিৰিখ লাভ কৰি আছে, তেওঁলোককো দৰমহাৰ নিৰিখ অনুসৰি ভাট্টা প্ৰদান কৰা হ'ব।পুনৰীক্ষণ আবেদনৰ ৰায় প্ৰদানৰ তাৰিখৰ পৰা অৰ্থাৎ ২৩.০১.২০১৭ তাৰিখৰ পৰা আবেদনকাৰীসকলে এই বিত্তীয় লাভালাভ পাব।

১৬. সেই অনুসৰি লেখ আবেদনখনক অনুমতি প্ৰদান কৰা হৈছে।

মিতালী ঠাকুৰীয়া
ন্যায়াধীশ

সন্দীপ মেহতা
মুখ্য ন্যায়াধীশ

মোকাবিলা সহায়ক

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”